# গীতা হাঞ্ছেপীৰ দুটা কবিতা

**পোহাৰী**

ওখোৰা-মোখোৰা পাহাৰৰ বুকুৰেদি বৈ অহা
জুৰিটিৰ কাষেৰে, থিয় গৰাইদি
নিতৌ নামি আহে কাদম-বাছাপীহঁতে
পিঠিত এখাং সপোন লৈ ।
পোহাৰ মেলি অপেক্ষা কৰে গ্ৰাহকলৈ
চকুত অলেখ জল্পনা-কল্পনা
প্ৰতি মুঠা পাচলিতেই
তেওঁলোকৰ সাংসাৰিক বাজেট ।
দহটকীয়া, বিছটকীয়া
পাচলিৰ মুঠাবোৰৰ দৰ-দাম চলে,
ভঙনীয়া পইচাৰ নাটনিত
নিব খুজিও কিনোতাই এৰি যায়
পাচলিভৰ্তি পলিথিনৰ বেগ,
উঠি অহা থং ঢাকি
ভাগে ভাগে থানথিত লগাই
পুনৰায় বাট চাই ৰয়
পৰৱৰ্তী গ্ৰাহকৰ বাবে।
থুনথুনাই থকা কোলাৰ কেঁচুৱাটিলৈ
অকণমান মৰম যচাৰ সলনি
দুই-এটা জলকীয়া, ভেণ্ডি
খুজি নিয়ে গ্ৰাহকে উপৰুৱাকৈহে।
থাঙৰ পাচলি ঘূৰাই নিব লগা হ’লেই যে
তেওঁলোকৰ অংকত আউল লাগে
সেয়ে পাগুলিয়াই সামৰি থয়
পোনাটিৰ লাগতিয়াল বয়-বস্তুৰ তালিকাখন।
জীৱন জীয়াৰ হেঁপাহেৰে
নিতৌ নতুন সপোন লৈ
নামি আহে তেওঁলোক
প্ৰতিদিনে কাহিলি পুৱাতে
জুৰিটিৰ সেই থিয় গৰাইদি।

**চাৰ্হেপী**

তেওঁ চাৰ্হেপী
এই নামেৰেই পৰিচিত তেওঁ
তেওঁৰ আৱেগ, তেওঁৰ অনুভূতি
মৃতকৰ নামতেই উছৰ্গিত।

কাচাৰ্হে আলুন গাই
একাত্ম হৈ পৰে মৃতকৰ আত্মাৰ স'তে
মৃতকৰ জীৱিত কালৰ দোষ-গুণ বৰ্ণাই
অতৰ্কিতে তেওঁ দুখ নিগৰায় ,
ত'ৱাৰ কেথান গীতেৰে মৃতকৰ আত্মাক
স্বৰ্গলৈ যোৱাৰ পথৰো সম্ভেদ দিয়ে,
এয়া যে তেওঁৰ দায়িত্ব-ভাৰ
আজি পিছে হেৰোৱাৰ বেদনাত বাকৰুদ্ধ তেওঁ
গীতৰ সুৰত আজি ছন্দ হেৰায়।

কিয়নো
মৃতকৰ স'তে চিনাকি তেওঁৰ বহুদিনীয়া
ৰাইজৰ আগত আঁঠু লৈ
আশিস লোৱাৰে পৰাই একাত্মা দুয়ো
জীৱনে-মৰণে একেলগে বাট বুলিবলৈ
ইজনে সিজনৰ ওচৰত প্ৰতিজ্ঞাবদ্ধ।
স্বৰ্গলৈ যোৱা পথৰ সন্ধান দি
আজিনো কোন সতেৰে গীত জুৰি কয়
তেওঁক এৰি অচিন দেশলৈ গৈ
নতুনকৈ জীৱনৰ পাতনি মেলি
সুখেৰে থাকাগৈ বুলি।

---

কাৰবি শব্দৰ অৰ্থ
চাৰ্হেপী : মৃতকৰ বিননি গীত গোৱা মহিলা
কাচাৰ্হে আলুন : বিননি গীত
ত'ৱাৰ কেথান : বাট-পথৰ সন্ধান দিয়া